**2024**

ASSAMESE

( Honours Core )

Paper : ASM–HC–3016

**( Assomiya Sahitya Prabesh )**

*Full Marks* : 80

*Time* : 3 hours

GOALPARA COLLEGE LIBRARY
Date.........

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'সাগৰ দেখিছা' পুথিখনিৰ লেখক কোন?

(খ) খঞ্জৰ মানে কি?

(গ) 'চম্পাৱতীৰ সাধু'টো লেখকৰ কোনখন গ্ৰন্থত পোৱা যায়?

(ঘ) 'শৰ-সন্ধান' কবিতাটিত উল্লেখ থকা ভাৰতৰ ৰাজ্যখনৰ নাম কি?

(ঙ) 'দুখন ভৰি' গল্পত বৰ্ণনা কৰা মতে বেণুয়ে মাছটো কাক দিছিল?

(চ) 'জীৱনৰ অমিয়া' প্ৰবন্ধটিত উল্লেখিত দুই শ্ৰেণীৰ মানুহৰ মাজৰ এটা পাৰ্থক্য উল্লেখ কৰা।

(ছ) টেপুৰামৰ ঘৰ ক'ত আছিল?

(জ) 'উৰুখা' শব্দৰ অৰ্থ কি?

(ঝ) ''সময়খিনি মোৰ যে বুকুখন তেনেই উদং হৈ থাকিব, ভাই।'' ইয়াত বক্তাগৰাকী কোন?

(ঞ) 'মেকং নৈ দেখিলো' গ্ৰন্থখনিত কিমানখন দেশ ভ্ৰমণৰ কথা বৰ্ণনা কৰিছে?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ৰায় বাহাদুৰে কিয় আৰু কাৰ বাবে প্ৰীতি সন্ধিয়াৰ আয়োজন কৰিছিল?

(খ) 'চম্পাৱতীৰ সাধু'ত উল্লেখিত ধনী মানুহজনৰ দুইগৰাকী পত্নীৰ নাম কি আছিল?

(গ) 'মেকং নৈ দেখিলো'ত বৰ্ণিত চাৰিখন দেশৰ নাম লিখা।

(ঘ) মমতা নকৈ ঘৰলৈ আহিবৰ দিনা আকাশখন কেনেকুৱা হৈছিল, বৰ্ণনা কৰা।

(ঙ) বাপুকণৰ দুজন বন্ধুৰ নাম লিখা।

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) 'জীৱন বৃত্ত' গ্ৰন্থখনিত লেখক ড. ভবেন্দ্ৰনাথ শইকীয়াই বৰশী বোৱা দৃশ্যটো কেনেদৰে বৰ্ণনা কৰিছে, চমুকৈ লিখা।

(খ) হৰিবল ককাই গাঁৱৰ মানুহৰ কাৰণে কেনেকুৱা কেনেকুৱা কাম কৰিছিল, লিখা।



GOALPARA COLLEGE LIBRARY
Date



(গ) 'ব্যক্তিগত পুথিভঁৰাল' প্ৰবন্ধটিত বৰ্ণনা কৰা চুক্তিপত্ৰৰ কথাখিনি চমুকৈ ব্যাখ্যা কৰা।

(ঘ) জীৱনৰ অমিয়া কেনেধৰণে লাভ কৰিব পাৰি, লিখা।

(ঙ) চৈয়দ আব্দুল মালিকৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(চ) হেম বৰুৱাৰ সাহিত্যিক প্ৰতিভা সম্পৰ্কে এটি চমু টোকা যুগুত কৰা।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) সময়ৰ পৰিৱৰ্তনে মানুহৰ জীৱনলৈ কেনেধৰণৰ পৰিৱৰ্তন আনে সেই কথা 'সাউদৰ পুতেকে নাও মেলি যায়'—উপন্যাসখনিত কেনেদৰে উপস্থাপন কৰিছে, আলোচনা কৰা।

(খ) 'কথা-চহকী মাৰ্কিন ডেকাৰ সংগসুখ' শীৰ্ষক প্ৰবন্ধটিক ভ্ৰমণ সাহিত্য হিচাবে বিচাৰ কৰি এটা আলোচনা যুগুত কৰা।

(গ) 'আশা আৰু সান্ত্বনাৰ কথা' প্ৰবন্ধটিত আশা আৰু সান্ত্বনা সম্পৰ্কে কোনবোৰ কথা সোঁৱৰাই দিছে, আলোচনা কৰা।

(ঘ) 'মানুহ শংকৰদেৱ' পাঠটিৰ মূল বক্তব্য বিষয় সম্পৰ্কে বহলাই আলোচনা কৰা।

(ঙ) ৰোমাণ্টিক কবিতা আৰু সাম্প্ৰতিক কবিতাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

(চ) সাধুকথাক চুটিগল্প বুলি ক'ব পাৰিনে, বহলাই আলোচনা কৰা।

(ছ) 'জীৱন বৃত্ত'ত লেখকে পৰিৱেশৰ ছবিখন কেনেধৰণে বৰ্ণনা কৰিছে, আলোচনা কৰা।

(জ) 'মকৰা পেস্কাৰ' প্ৰবন্ধটিত অসমৰ কোনটো সময়ৰ ৰাজনৈতিক জীৱনৰ ছবি, কেনেদৰে প্ৰতিফলিত হৈছে, বৰ্ণনা কৰা।

★★★

GOALPARA COLLEGE LIBRARY

3 (Sem–3/CBCS) ASM HC 2

GOALPARA COLLEGE LIBRARY
Date

# 2024

## ASSAMESE

( Honours Core )

Paper : ASM–HC–3026

( অসমীয়া কবিতাৰ চানেকি )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) মাধৱ কন্দলীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

(খ) এগৰাকী পাঁচালী কবিৰ নাম লিখা।

(গ) শংকৰদেৱৰ 'শৰৎ বৰ্ণনা' কবিতাটো ভাগৱতৰ কোন স্কন্ধৰ পৰা অনা ?

(ঘ) 'ভীম চৰিত' কাব্য কোনগৰাকী কবিৰ ৰচনা ?

(ঙ) 'জোনাকী' আলোচনীখন কোন চনত প্ৰকাশ হৈছিল ?

(চ) ‘দহিকতৰা’ কাব্যপুথি কাৰ ৰচনা ?

(ছ) দেৱকান্ত বৰুৱাৰ ‘মনোৰমা’ কবিতাটো কোনখন কবিতা-পুথি অন্তৰ্ভুক্ত ?

(জ) নৱকান্ত বৰুৱাই সাহিত্য অকাদেমি পোৱা গ্ৰন্থখন কবিতা-পুথি হয়নে ?

(ঝ) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটোৰ নাম লিখা।

(ঞ) নীলমণি ফুকনে কোন চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল ?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) মাধৱ কন্দলীক অপ্ৰমাদী কবি বুলি কোনে কৈছিল ? মাধৱ কন্দলী কোন শতিকাৰ কবি ?

(খ) শংকৰদেৱৰ এখন নাটক আৰু এখন তত্ত্বমূলক গ্ৰন্থৰ নাম লিখা।

(গ) চন্দ্ৰকুমাৰ আগৰৱালাই সম্পাদনা কৰা আলোচনীখনৰ নাম কি ? সেই আলোচনীখনৰেই আন এজন সম্পাদকৰ নাম লিখা।

(ঘ) জ্ঞানপীঠ বঁটা প্ৰাপক কবি নীলমণি ফুকনৰ দুখন কবিতা-পুথিৰ নাম লিখা।

(ঙ) ‘আজি আকৌ মেজাংকৰিৰ এঙাচোলা পিন্ধি’ কবিতাটো কাৰ ? এই কবিজনৰ একমাত্ৰ উপন্যাসখনৰ নামটো লিখা।





৩। প্ৰসঙ্গ-সঙ্গতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) দণ্ডকা অৰণ্যে দেৱী অযোধ্যা ব্ৰজিলা।
নানা জাতি তৰু ফুল ফল সৰে ভৈলা॥
মালতী মধাই পাৰিজাত যে পলাশ।
প্ৰফুল্ল ফুলিতে আছে মলয়াৰ বাস॥

(খ) ৰাজাক সম্মুখি কহে শুকে যেবে
বাৰিষা সময় গৈল।
শৰত কালৰ যত মহাগুণ
সবেয়ো বিদিত ভৈল॥

GOALPARA COLLEGE LIBRARY
Date

(গ) উৰি ফুৰি বেজাৰৰ
হৃদয় ৰাগিণী তাৰ
বৰষি যে সিও গুচি গ’ল,
ক’ৰ কোন কিবা হ’ল
চিৰস্মৃতি পমি গ’ল
প্ৰকৃতি যে তেনেকৈয়ে ৰ’ল

(ঘ) জীৱনৰ ধ্ৰুৱতৰা মাৰ যাওঁ যাওঁ
অনন্তৰ অন্তিম বুকুত,
পৰম আনন্দ ৰূপ ধ্ৰুৱ জ্যোতিকণা
নাপাম নে আৰু সি লোকত ?

(ঙ) “ডাৱৰে কি ক’লে : দিয়া আৰু দিয়া, নিঃশেষকৈ দিয়া,
আলিৰ কাষত গছপুলি ৰোৱা, এটা হাইস্কুল খোলা;”

GOALPARA COLLEGE LIBRARY
Date

(চ) “শূন্যতাৰ হাতৰ পৰা সৰি পৰিল
দিনৰ হিৰন্ময় হৃদয়-পাত্ৰ
নিঃশব্দে সৰি পৰিল
আৰু বুৰ গ’ল।”

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) মাধৱ কন্দলীৰ ‘চিত্ৰকূটৰ চিত্ৰ’ কবিতাটোৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

*অথবা*

দুৰ্গাবৰৰ কাব্যকৃতি সম্পৰ্কে আলোচনা কৰা।

(খ) ‘শৰৎ বৰ্ণনা’ কবিতাত কবিয়ে শৰৎকালৰ পৰিৱেশ চিত্ৰণ কিদৰে কৰিছে, আলোচনা কৰা।

*অথবা*

‘দ্ৰৌপদীৰ বিলাপ’ কবিতাটোৰ সাৰাংশ লিখা।

(গ) ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰা।

*অথবা*

‘প্ৰকৃতি’ কবিতাটোত ৰোমাণ্টিক কবিতাৰ বৈশিষ্ট্য কিদৰে প্ৰতিফলিত হৈছে, ব্যাখ্যা কৰা।

(ঘ) সাম্প্ৰতিক কবিতাৰ বিষয়ে ধাৰণা দি ‘পলস’ কবিতাটোত সাম্প্ৰতিক কবিতাৰ বৈশিষ্ট্য কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

*অথবা*

‘ব্ৰহ্মপুত্ৰত সূৰ্য্যাস্ত’ কবিতাটোৰ মূলভাৱ লিখা।

★★★

**2024**

ASSAMESE

( Honours Core )

Paper : ASM–HC–3036

**( Asomor Sanskriti )**

GOALPARA COLLEGE LIBRARY
Date
ESTD.

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ লিখা : ১×১০=১০

(ক) Folklore শব্দটোৰ 'Folk'-ৰ অসমীয়া অৰ্থ লিখা।

(খ) *History and Civilization of the People of Assam* গ্ৰন্থখনৰ প্ৰণেতা কোন?

(গ) 'সংস্কৃতি পৰিৱৰ্তনশীল'—কথাষাৰ সত্যনে?

(ঘ) 'দখনা' কোন জনগোষ্ঠীয়ে পৰিধান কৰা বস্ত্ৰ?

(ঙ) 'ফাৰকান্তি' অসমৰ কোনটো জনগোষ্ঠীৰ লোকনৃত্য?

(চ) অৰুণাচল প্ৰদেশত বাস কৰা এটা জনজাতিৰ নাম লিখা।

(ছ) 'হুদুমদেও নৃত্য' অসমৰ কোন অঞ্চলত প্ৰচলিত লোকনৃত্য ?

(জ) অসমীয়া মহিলাই ডিঙিত পিন্ধা এবিধ পৰম্পৰাগত অলঙ্কাৰৰ নাম লিখা।

(ঝ) অসমত প্ৰচলিত এবিধ লোকক্ৰীড়াৰ নাম লিখা।

(ঞ) প্ৰাচীন কামৰূপত ৰচনা কৰা 'হস্তায়ুৰ্বেদ' পুথিখনৰ ৰচক কোন আছিল ?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা : ২×৫=১০

(ক) লোকসংস্কৃতিৰ দুটা ভাগ উল্লেখ কৰা।

(খ) 'সোণাৰায় পূজা'ত প্ৰকৃততে কাক পূজা কৰা হয়? এই পূজা অসমৰ কোন জনগোষ্ঠীয়ে কৰে ?

(গ) অসমৰ দুটা ঋতুকালীন উৎসৱৰ নাম লিখা।

(ঘ) অসমৰ যি কোনো দুটা ধৰ্মীয় পৰম্পৰাৰ নাম উল্লেখ কৰা।

(ঙ) আহোম যুগত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত লিখা দুখন সচিত্ৰ পুথিৰ নাম লিখা।

৩। তলৰ যি কোনো **চাৰিটা** বিষয়ৰ চমু টোকা লিখা : ৫×৪=২০

(ক) অসমীয়া খাদ্যসম্ভাৰত মুছলমানৰ অৱদান

(খ) অসমীয়া গৃহ নিৰ্মাণ পদ্ধতি

(গ) জিকিৰ গীতত বৈষ্ণৱ পৰম্পৰা





GOALPARA COLLEGE LIBRARY Date

(ঘ) অসমীয়া পৰম্পৰাগত গহনা-গাঁঠৰি

(ঙ) অসমীয়া সংস্কৃতিত জেতুকা

(চ) অসমৰ শৈৱ ধৰ্ম পৰম্পৰা

৪। তলত দিয়া যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) সংস্কৃতিৰ সংজ্ঞা নিৰূপণ কৰি ইয়াৰ বিভিন্ন উপাদানসমূহ আলোচনা কৰা।

(খ) বিভিন্ন নৃগোষ্ঠীয় উপাদানৰ সমাহাৰত কেনেকৈ অসমীয়া জাতি গঠন হৈছে, বহলাই আলোচনা কৰা।

(গ) 'অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি'—শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(ঘ) সামাজিক লোকাচাৰ বুলিলে কি বুজা? অসমীয়া সমাজৰ জন্ম আৰু মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ বিষয়ে আলোচনা কৰা।

(ঙ) অসমৰ কৃষিভিত্তিক উৎসৱ-অনুষ্ঠান সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(চ) অসমীয়া সংস্কৃতিলৈ চাহ জনগোষ্ঠীৰ অৱদান সম্পৰ্কে বিতংকৈ লিখা।

(ছ) 'অসমৰ খেল-ধেমালি : পৰম্পৰা আৰু পৰিৱৰ্তন'—শীৰ্ষক এটি সমালোচনামূলক প্ৰবন্ধ প্ৰস্তুত কৰা।

(জ) আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্যৰ বিষয়ে আলোচনা কৰা।

***